# 2025

## ASSAMESE

## ( Minor )

Paper : ASS0500604

( আধুনিক অসমীয়া গীতি-সাহিত্য )

( Set—A )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। তলত দিয়া প্ৰশ্নবোৰৰ অতি চমু উত্তৰ লিখা : ১×৮=৮

(ক) আনন্দিৰাম দাসৰ গীতবোৰক সাধাৰণতে কি গীত বুলি কোৱা হয়?

(খ) 'বিলত তিৰেবিৰায়' গীতটিৰ গীতিকাৰজনৰ নাম কি?

(গ) 'বহুদিন বকুলৰ গোন্ধ পোৱা নাই' গীতটি প্ৰথমতে কাৰ কণ্ঠত বাণীৰদ্ধ কৰা হৈছিল?

(ঘ) ভূপেন হাজৰিকাৰ এখন গীতৰ পুথিৰ নাম লিখা।

(ঙ) আধুনিক অসমীয়া ভাষাত প্ৰথম গীতৰ পুথিখন কোনে লিখিছিল ?

(চ) বনগীতৰ স্ৰষ্টা কোন ?

(ছ) 'শুকুলা ডাৱৰ ঐ কঁহুৱা ফুল' পুথিখনৰ লেখকৰ নাম লিখা।

(জ) 'সোণৰ খাৰু নেলাগে মোক' গীতটিত সোণৰ খাৰুৰ বিপৰীতে কি বিচাৰিছে ?

২। তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো ছয়টাৰ চমুকৈ উত্তৰ লিখা : ২×৬=১২

(ক) গীতি-সাহিত্য কাক বোলে, লিখা।

(খ) গীতৰ শব্দচয়নত থাকিবলগীয়া দুটা গুণ উল্লেখ কৰা।

(গ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীতৰ দুটি বৈশিষ্ট্য লিখা।

(ঘ) 'লুইতৰ পাৰৰে আমি ডেকা ল'ৰা' গীতটিৰ বাদে জ্যোতিপ্ৰসাদ আগৰৱালাৰ আন দুটি দেশপ্ৰেমমূলক গীতৰ প্ৰত্যেকটোৰে প্ৰথম শাৰীটো লিখা।

(ঙ) নিৰ্মলপ্ৰভা বৰদলৈয়ে লিখা দুখন গীতৰ পুথিৰ নাম লিখা।

(চ) 'বিৰহী' নামৰ গীতৰ পুথিখন কোনে ৰচনা কৰিছিল ? এইখন কোন চনত প্ৰকাশ পাইছিল ?

(ছ) তফজ্জুল আলিৰ দুখন গীতৰ পুথিৰ নাম লিখা।

(জ) হীৰেণ ভট্টাচাৰ্যৰ 'আমোলমোল শেৱালিৰ গোন্ধ' গীতটিৰ কেন্দ্ৰীয় ভাব কি ? ইয়াত কি ঋতুৰ কথা ফুটি উঠিছে ?





(ঝ) ভূপেন হাজৰিকাৰ কিমান চনত জন্ম হৈছিল ? তেওঁ কোনখন চলচ্চিত্ৰৰ সংগীত পৰিচালনাৰ বাবে শ্ৰেষ্ঠ সংগীত পৰিচালকৰ ৰাষ্ট্ৰীয় বঁটা পাইছিল ?

(ঞ) আধুনিক অসমীয়া সংগীতৰ বিষয়ে বহল আলোচনা থকা এখন গ্ৰন্থ আৰু সেইখনৰ লেখকজনৰ নাম লিখা।

৩। তলত দিয়াবোৰৰ যি কোনো চাৰিটাৰ চমুকৈ আলোচনা কৰা : ৫×৪=২০

(ক) গীতৰ ভাষাৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰা।

(খ) গীত আৰু কবিতাৰ মিল-অমিল দেখুৱাই এটি টোকা লিখা।

(গ) 'আজি ফাগুনৰ পুৱা বেলাতে' গীতটিত প্ৰকাশ পোৱা প্ৰকৃতিৰ চিত্ৰণৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।

(ঘ) গীতিকাৰ আনন্দিৰাম দাসৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰা।

(ঙ) 'মোৰ কবিতাৰ ছন্দ লাগি' গীতটিৰ কাব্যিক সৌন্দৰ্য বিশ্লেষণ কৰি এটা টোকা লিখা।

(চ) 'সোণৰ খাৰু নেলাগে মোক' গীতটিত প্ৰকাশ পোৱা গাভৰুগৰাকীৰ বিবাহ-সম্পৰ্কীয় চিন্তাৰ বিষয়ে এটি টোকা লিখা।

(ছ) 'হঞেৱা জেতুকীবাই' গীতৰ জেতুকীবাই চৰিত্ৰটোৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।

(জ) কমলানন্দ ভট্টাচাৰ্যৰ গীতৰ বিষয়ে এটি টোকা লিখা।

৪। তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো দুটাৰ বহলাই আলোচনা কৰা : ১০×২=২০

(ক) গীতি-সাহিত্যৰ লক্ষণ, গুণ, স্বৰূপ, ভাষা আৰু প্ৰকাশভংগীৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ পৰা তফজ্জুল আলিৰ সময়লৈকে অসমীয়া গীতি-সাহিত্যৰ এটি ৰূপৰেখা প্ৰস্তুত কৰা।

(গ) তোমাৰ পাঠ্যক্ৰমৰ ফুলক লৈ লিখা গীত তিনিটাৰ এটা তুলনামূলক বিশ্লেষণ আগবঢ়োৱা।

(ঘ) নাৰীৰ জীৱন তোমাৰ পাঠ্য গীতসমূহত কেনেদৰে চিত্ৰিত হৈছে, আলোচনা কৰা।

(ঙ) অসমীয়া গীতি-সাহিত্যত দেশপ্ৰেমৰ চিত্ৰ কেনেদৰে অংকন কৰা হৈছে, তোমাৰ পাঠ্য গীতৰ আধাৰত আলোচনা কৰা।

★★★